# মৌচুমী কন্দলীৰ দুটা চুটিগল্প ‘লাম্‌বাদা নাচৰ শেষত’ (১৯৯৭) আৰু ‘ৰা-বাঁহৰ চিক্‌মিকনি’ (২০১০)-ৰ আধাৰত জনগোষ্ঠীয় জীৱনবোধৰ দ্বন্দ্বাত্মক দৃষ্টিভংগীৰ স্বৰূপ বিচাৰ

*স্বামিম নাছৰিন*

**সাৰাংশ**

অসমীয়া চুটিগল্পৰ শেহতীয়া ধাৰাটো অন্যতম শ্ৰেষ্ঠ গল্পকাৰ মৌচুমী কন্দলীয়ে বিগত তিনিটা দশকত সংখ্যাত কম হ'লেও বহুকেইটা সফল গল্প ৰচনা কৰিছে। তেওঁৰ গল্পত আধুনিক জীৱন-দৃষ্টি, চিন্তা-চেতনা আৰু প্ৰকাশভংগীৰ স্বাক্ষৰ দেখিবলৈ পোৱা যায়। অন্যান্য দিশৰ লগতে তেওঁ বিশেষকৈ উত্তৰ ঔপনিৱেশিক তাত্ত্বিক বিচাৰ-ধাৰাৰে অসমৰ জনগোষ্ঠীয় জীৱনলৈ আহি পৰা বিভিন্ন সমস্যা আৰু দ্বন্দ্বৰ দিশবোৰক গল্পৰ জৰিয়তে প্ৰকাশ কৰিছে। এইখন আলোচনা পত্ৰৰ জৰিয়তে তেওঁৰ গল্পসমূহৰ মাজৰ পৰা নিৰ্বাচন কৰা দুটা বিশেষ গল্পৰ আধাৰত বিগত প্ৰায় অৰ্দ্ধশতিকাত অসমৰ পৰ্বতীয়া জনগোষ্ঠীসমূহৰ আৰ্থ-সামাজিক-সাংস্কৃতিক ক্ষেত্ৰত বৰ্হিজগতৰ ক্ৰমবৰ্দ্ধমান প্ৰভাৱ আৰু তাৰ ফলত সৃষ্টি হোৱা দ্বন্দ্বাত্মক চেতনাৰ বিশ্লেষণ কৰিবলৈ যত্ন কৰা হৈছে। এই ক্ষেত্ৰত সংশ্লিষ্ট জনগোষ্ঠীৰ অন্তৰ্গত বিভিন্ন প্ৰজন্মৰ লোকসকলৰ মাজৰ দৃষ্টিভংগীগত পাৰ্থক্যৰ লগতে আত্মপ্ৰতিষ্ঠাৰ ক্ষেত্ৰত কৰি থকা বিকল্প পথৰ সন্ধানৰ বিষয়েও আলোচনা কৰা হৈছে।

**সূচক শব্দ ঃ** উত্তৰ ঔপনিৱেশিক, জনগোষ্ঠী, সমস্যা, দ্বন্দ্ব, আৰ্থ-সামাজিক-সাংস্কৃতিক, আত্ম প্ৰতিষ্ঠা।

বিংশ শতিকাৰ আশীৰ দশকৰ পৰা যোৱা তিনিটা দশক সামৰি থকা কালচোৱাৰ অসমীয়া সাহিত্যৰ, বিশেষকৈ চুটিগল্প চৰ্চাৰ শেহতীয়া ধাৰাটোৰ অন্যতম শ্ৰেষ্ঠ গল্পকাৰ ৰূপে মৌচুমী কন্দলীৰ এটা বিশিষ্ট পৰিচয় আছে। বৰ্তমান তেজপুৰ বিশ্ববিদ্যালয়ৰ সংস্কৃতি অধ্যয়ন বিভাগত অধ্যাপনা কৰি থকা মৌচুমী কন্দলীয়ে বিগত আশী আৰু নব্বৈৰ দশকত যথাক্ৰমে দৰ্শন, মনস্তত্ত্ব আৰু কলা-ইতিহাস বিষয়ত কৰা সুগভীৰ অধ্যয়নৰ জৰিয়তে এক সুকীয়া জীৱনদৃষ্টিৰ অধিকাৰী ৰূপে পৰিচিত হৈছে। ইয়াৰ লগতে বিশ্বসাহিত্যৰ বিভিন্ন শেহতীয়া ধাৰাৰ সৈতে থকা নিবিড় পৰিচয়ে তেওঁৰ মাজত এক বিৰল সাহিত্যবোধৰ জন্ম দিছে। তেওঁৰ সৃষ্টিকৰ্মৰ মাজেদি এই উভয় দিশৰে বিচিত্ৰ প্ৰকাশ লক্ষ্য কৰা যায়।



কথা সাহিত্যিক ৰূপে মৌচুমী কন্দলীৰ পৰিচয়ৰ দুটা স্তৰ আছে, যথাক্ৰমে—চুটিগল্পকাৰ আৰু কলা-সমালোচক। উভয়ক্ষেত্ৰতে তেওঁ অভিনৱ বৈশিষ্ট্য প্ৰকাশৰ জৰিয়তে নিজস্বতা প্ৰদৰ্শন কৰি সফলতা অৰ্জন কৰিছে। সময়ৰ লেখেৰে কথা-সাহিত্যিক মৌচুমী কন্দলীৰ আত্মপ্ৰকাশ হৈছিল আজিৰ পৰা মাথো তিনিটা দশকৰ পূৰ্বে। এতিয়ালৈকে তেওঁৰ প্ৰকাশিত হোৱা গল্প সংকলন কেইখন হৈছে—‘লাম্‌বাদা নাচৰ শেষত’ (প্ৰকাশ কাল ১৯৯৮ চন), ‘তৃতীয়ত্বৰ গল্প’ (প্ৰকাশ কাল ২০০৭ চন), ‘মকড্ৰিল’ (প্ৰকাশ কাল ২০১০ চন) আৰু ‘ফ্ৰেমৰ বাহিৰৰ জোনাকী পৰুৱাবোৰ’ (প্ৰকাশ কাল ২০১৫ চন)। আনহাতে কলা-সমালোচনা বিষয়ক গ্ৰন্থ হৈছে—‘ভাৰতীয় চাৰুকলাৰ ৰেঙনি’, ‘বিষয় কলা...’ আৰু ‘অসমৰ আধুনিক শিল্পকলা’ (প্ৰকাশ কাল ২০১১ চন)। ইয়াৰ উপৰিও তেওঁ বিশিষ্ট শিল্পী চালভাদৰ দালিৰ আত্মজীৱনী ‘ডায়েৰী অব এ জিনিয়াছ’-খনক ‘এজন ধীমানৰ জীৱনপঞ্জী’ নামেৰে অসমীয়া ভাষালৈ অনুবাদ কৰিছে। সাহিত্যচৰ্চাৰ বাবে তেওঁ ইতিমধ্যে কেইবাটাও উল্লেখযোগ্য বঁটাৰ দ্বাৰা সন্মানিত হৈছে, সেইসমূহৰ ভিতৰত ২০০০ চনত ‘মুনীন বৰকটকী বঁটা’, ২০০৫ চনত ‘ৰাষ্ট্ৰীয় ভাষা পৰিষদৰ বঁটা’ আৰু ২০০৭ চনত ‘একা এবং কয়েজকজন’ আলোচনীয়ে আগবঢ়োৱা ‘সাহিত্য সংস্কৃতি সন্মান’ উল্লেখযোগ্য।

মৌচুমী কন্দলীয়ে চুটিগল্পকাৰ ৰূপে যোৱা তিনিটা দশকজুৰি সক্ৰিয় হৈ আছে আৰু বহুকেইটা উল্লেখযোগ্য চুটিগল্প ৰচনাৰে অসমীয়া চুটিগল্পৰ ৰচনা বৈচিত্ৰ্যৰ দিশত অৰিহণা আগবঢ়াইছে। প্ৰায় প্ৰতিটো চুটিগল্প ৰচনাৰ ক্ষেত্ৰতে তেওঁ সুচিন্তিত আৰু সুপৰিকল্পিতভাৱে বিষয় আৰু আঙ্গিক নিৰ্বাচন কৰাৰ লগতে সম্ভৱস্থলত নিজকে অতিক্ৰম কৰি যোৱাৰ প্ৰয়াস চকুত পৰে। সেইবাবে এহাতে যেনেকৈ তেওঁৰ ৰচনাৰ সংখ্যা যথেষ্ট কম, ঠিক সেইদৰে প্ৰায় প্ৰতিটো গল্পৰেই ইটোৰ লগত সিটোৰ সুস্পষ্ট পাৰ্থক্য চকুত পৰে।

মৌচুমী কন্দলীৰ প্ৰথমখন চুটিগল্প সংকলন ‘লামবাদা নাচৰ শেষত’। ১৯৯৮ চনত প্ৰকাশিত সংকলনখনত ১৯৯২ চনৰ পৰা ১৯৯৮ চনলৈ ৰচিত আৰু প্ৰকাশিত দহোটা গল্প সংকলিত হৈছে। মনকৰিবলগীয়া যে প্ৰথম আৰু দ্বিতীয়খন সংকলনৰ প্ৰকাশৰ মাজত প্ৰায় ন বছৰৰ এছোৱা দীঘলীয়া সময়ৰ ব্যৱধান লক্ষ্য কৰা যায়। কেৱল সেয়াই নহয়, তেওঁ ১৯৯৮ চনৰ পৰা ২০০৩ চন, এই পাঁচ বছৰৰ ভিতৰত ৰচনা কৰা গল্পসমূহ সংকলনবদ্ধ কৰা দেখা নাযায়। এইক্ষেত্ৰত গল্পকাৰে স্পষ্টকৈ ক'তো একো কথা উল্লেখ কৰা দেখা নাযায় যদিও সম্ভৱত গল্প ৰচনাৰ ক্ষেত্ৰত পৰীক্ষা-নিৰীক্ষাৰ স্বাৰ্থত আৰু অভিনৱ গল্প কথন শৈলী এটাৰ সন্ধানৰ বাবেই এনে কৰিছিল বুলি অনুমান কৰিব পাৰি। যিয়েই নহওক প্ৰথমখন সংকলন প্ৰকাশৰ প্ৰায় এটা দশকৰ পাছত প্ৰকাশিত মৌচুমী কন্দলীৰ দ্বিতীয়খন চুটিগল্প সংকলন ‘তৃতীয়ত্বৰ গল্প’ সংকলনখনত ২০০৩ চনৰ পৰা ২০০৭ চনলৈ ৰচিত আৰু প্ৰকাশিত আঠোটা গল্প সংকলিত হৈছে। সংকলনৰ গল্পকেইটা বহুকেইটা দিশৰ পৰা উল্লেখযোগ্য। সংকলনখনৰ গল্পসমূহৰ জৰিয়তে তেওঁ কেৱল নিজৰ গল্পকথকতাৰ ক্ষেত্ৰতেই যে পৰিৱৰ্তন আনিছিল তেনে নহয়, সামগ্ৰিকভাৱে অসমীয়া চুটিগল্পৰ সংশ্লিষ্ট দিশটোকো বহুপৰিমাণে নতুনত্বৰ পৰশ দান কৰিবলৈ সক্ষম হৈছিল। সাধাৰণ বিচাৰত সংকলনখনৰ গল্পসমূহ হৈছে গল্পকাৰৰ সমকালীন সময়ৰ গল্প। ইয়াত তেওঁ নিজৰ চৌপাশৰ সমকালীন জীৱনধাৰাকেই দাঙি ধৰিবলৈ যত্ন কৰিছে। অৱশ্যে তাকে কৰিবলৈ গৈ তেওঁ পৰোক্ষভাৱে বিংশ শতিকাৰ নব্বৈৰ দশকৰ সূচনাৰে পৰা পৰৱৰ্তী দুটামান দশকৰ বিশ্বৰ সামাজিক-সাংস্কৃতিক ইতিহাসক প্ৰেক্ষাপটৰূপে গ্ৰহণ কৰিছে। তেওঁ দেখুৱাইছে যে, এই সময়ছোৱাত

সমগ্ৰ বিশ্বৰ, বিশেষকৈ অসম তথা ভাৰতৰ দৰে তৃতীয় বিশ্বৰ অন্তৰ্গত দেশবোৰত যি হাৰত মানবীয় মূল্যবোধ, বিশ্বাস, ধ্যান-ধাৰণাৰ ভেঁটি খহিবলৈ লৈছিল তাৰ ফলস্বৰূপে সমাজ জীৱনৰ পূৰ্বৰ স্থিতি চিনিব নোৱৰাকৈ ওলট-পালট হৈ পৰিছিল। এই পৰিৱৰ্তনৰ ধামখুমীয়াত পৰি মানুহৰ ব্যক্তিসত্তাৰ স্থিৰতাৰ ধাৰণাটোৱেই একেসময়তে প্ৰশ্ন আৰু প্ৰত্যাহ্বানৰ সন্মুখীন হবলৈ ধৰে। এই সৰ্বগ্ৰাসী সংশয়ৰ বাবে ইমানদিনে যি বৈজ্ঞানিক চেতনা, বস্তুনিষ্ঠতা, সত্যবোধৰ ওপৰত মানুহৰ জীৱন নিৰ্ভৰশীল আছিল, সেইবোৰে প্ৰচণ্ড আক্ৰমণৰ মুখামুখি হ'বলগীয়া হয়। উদাহৰণ স্বৰূপে, সংকলনখনৰ 'ৰাৱণ_১০২০ @ ফেণ্টাছী কম'—শীৰ্ষক গল্পটোৰ জৰিয়তে তেওঁ 'বৰ্তমানৰ এই ফেণ্টাছীৰ বিভ্ৰমতাৰে ভৰা পৃথিৱীত কিমান সময়লৈ মানুহে নিজকে আত্মগোপন কৰি ৰাখিব পাৰে?'—এনে এটা বিশেষ মানবীয় প্ৰশ্ন উত্থাপন কৰিছে।

প্ৰথম আৰু দ্বিতীয় গল্প সংকলনৰ মাজত থকা উল্লেখযোগ্য ব্যৱধানৰ বিপৰীতে যথাক্ৰমে তিনি আৰু পাঁচ বছৰৰ সীমিত ব্যৱধানত তেওঁৰ তৃতীয় আৰু চতুৰ্থ গল্প সংকলন দুখন প্ৰকাশিত হৈছে। ইয়াৰে 'মকড্ৰিল' নামৰ তৃতীয় সংকলনখনত ২০০৭ চনৰ পৰা ২০১০ চনৰ মাজত ৰচিত আৰু প্ৰকাশিত দহোটা গল্প আৰু 'ফ্ৰেমৰ বাহিৰৰ জোনাকী পৰুৱাবোৰ' নামৰ চতুৰ্থ সংকলনখনত ২০১৩ চনৰ পৰা২০১৫ চনৰ ভিতৰত লিখিত আৰু প্ৰকাশিত দহটা গল্প সংকলিত হৈছে। সামগ্ৰিক বিচাৰত এইকেইখন সংকলনতো তেওঁৰ যথাক্ৰমে ২০০৬-০৭ চন (এবছৰ) আৰু তেওঁ ২০১০-১৩ চন (তিনি বছৰ)— সময়চোৱাৰ ভিতৰত ৰচনা কৰা গল্পসমূহ সংকলনবদ্ধ কৰা দেখা নাযায়। সাহিত্য চৰ্চাৰ ক্ষেত্ৰত পুনঃপৌণিকতাৰ ঠাইত অভিনৱত্বৰ সমাৱেশৰ প্ৰতি থকা সচেতন দৃষ্টিকেই এইক্ষেত্ৰত ঘাই কাৰণ বুলি ধৰিলে সমসাময়িক অন্য বহুতো গল্পকাৰৰ সৈতে মৌচুমী কন্দলীৰ এটা পাৰ্থক্য দেখিবলৈ পোৱা যায়। বিশেষকৈ তেওঁ একেসময়তে সাহিত্যৰসিক আৰু সমালোচকৰ দৃষ্টি আকৰ্ষণ কৰাৰ পাছতো নিজৰ সৃষ্টিকৰ্মকলৈ এনেদৰে পৰীক্ষা-নিৰীক্ষাত আত্মনিয়োগ কৰাৰ জৰিয়তে নিজৰ সাহিত্যিক ব্যক্তিত্বক এক অন্য মাত্ৰা প্ৰদান কৰিবলৈ সক্ষম হৈছে।

মৌচুমী কন্দলীৰ প্ৰথমখন গল্প সংকলনৰ শিৰোনাম নিৰ্দিষ্ট 'লামবাদা নাচৰ শেষত' নামৰ চুটিগল্পটো ১৯৯৭ চনৰ মে মাহৰ 'গৰীয়সী' আলোচনীখনত প্ৰথমবাৰৰ বাবে প্ৰকাশিত হৈছিল। সেইফালৰ পৰা গল্পটো তেওঁৰ গল্পচৰ্চাৰ প্ৰথমটো দশকৰ এক উল্লেখযোগ্য নিদৰ্শন স্বৰূপ। সাধাৰণ দৃষ্টিত গল্পটোৰ জৰিয়তে পৰম্পৰাগত কাহিনীকথন শৈলীৰে প্ৰকাশ হোৱা যেন লাগে যদিও এইটো এটা সৰল বৰ্ণনাধৰ্মী গল্প নহয়। ইয়াত আমি কাহিনীৰ প্ৰভাৱ বা নিয়ন্ত্ৰণ বৰকৈ অনুভৱ নকৰোঁ।

সাধাৰণ বিচাৰত গল্পটো আৰম্ভ হৈছে কেন্দ্ৰীয় চৰিত্ৰ 'ফি'য়ে কৰা এটা যাত্ৰাৰ বৰ্ণনাৰে। তেওঁ এগৰাকী কাৰ্বি জনগোষ্ঠীয় আদহীয়া মহিলা। গল্পটোত 'হাংমিজি' নামৰ তেওঁৰ একমাত্ৰ নাতি ল'ৰাটোৰ বাহিৰে অন্য কোনো জীৱিত পৰিয়াল-পৰিজনৰ উল্লেখ পোৱা নাযায়। সেইফালৰ পৰা গল্পটোৰ কাহিনীভাগে এই আইতাক-নাতিয়েক যুগলৰ মাজৰ পাৰস্পৰিক সম্পৰ্ক বন্ধন আৰু বিচাৰ-বোধৰ বৈপৰিত্যৰ মাজতেই পৰিণতি লাভ কৰিছে। যিহেতু তেওঁলোকৰ মাজত ইতিমধ্যেই একপ্ৰকাৰৰ 'প্ৰজন্মৰ ব্যৱধান' মূলক চিন্তা-চৰ্চা আৰু দৃষ্টিভংগীৰ পাৰ্থক্য গঢ়ি উঠিছে সেয়ে আমি গল্পটোৰ মাজত চৰিত্ৰ দুটাৰ মাজত কোনো নিবিড় আৰু পাৰস্পৰিক নিৰ্ভৰশীলতাৰ আভাস দেখিবলৈ নাপাওঁ।

জোনাকী পৰুৱা এটাৰ দৰে সেই তিৰোতাজনীয়েও তাইৰ সৰল ৰৈখিক ভাবনাৰে, সেই প্ৰকৃতিৰ



মাজত উপবিষ্ট তাইৰ জীৱনৰ পৰা, আত্মলব্ধ পোহৰৰ দ্যুতিৰে ভৰি থকা কেতবোৰ সৰু সৰু সত্য আহৰণ কৰিছিল। আৰু তাইৰ কাষে কাষে লৰৰি ফুৰা, হাংমিজি নামৰ এটা তজবজীয়া ল'ৰাই তাই কৈ থকা কথাবোৰ শুনি আছিল। গছত ফল লগাৰ গুপুত ৰহস্যৰ কথা, ৰংবোৰত নিহিত থকা অৰ্থবোৰৰ কথা, গছৰ ফেৰেঙণিত পাতল মকৰাজালত লাগি ধৰা চৰাইৰ কথা—। কথাবোৰ তন্ময় হৈ শুনি থকাৰ মাজে মাজে সি একোবাৰ অন্যমনস্ক হৈ পৰে। মানসিক অৱস্থাৰ জোখত, সি বৰ্তমান সেই অংশতে ৰৈ আছে, য'ৰপৰা দুই মেৰুলৈ সমান দূৰত্ব। এফালে আৰণ্যক ৰহস্যময়তাৰ নিভাঁজ নৈসৰ্গত সেই তিৰোতাজনী আৰু আনটো মেৰুত, ধাতৱ পাৰিপাৰ্শ্বিকতাত বৈদ্যুতিক পোহৰ আৰু ইলেকট্ৰনিক চিম্ফনীৰে মুখৰিত উচ্ছল উন্মাদ যান্ত্ৰিক দৃশ্যাৱলী। এটা দুৰ্বাৰ ইচ্ছা, দুটামান সপোন আৰু দ্বিধা-দ্বন্দ্বৰ কেইটামান বোধৰ টনা-আঁজোৰাত অস্থিৰ হৈ সি সেই দুটা মেৰুৰ মধ্যবিন্দুত ৰৈ আছে। [মৌচুমী কন্দলী, 'লাম্‌বাদা নাচৰ শেষত', পৃ° ১১-১২]

গল্পটোৰ সামগ্ৰিক কাহিনীভাগ সমকালীন বাস্তৱত কিমানখিনি ঘটিছে আৰু কিমানখিনি একপ্ৰকাৰৰ স্বপ্ন-বাস্তৱতাৰ মাজত ঘটিছে ভাবি চাবলগীয়া। গল্পটোৰ কেন্দ্ৰীয় চৰিত্ৰ 'ফি' যদিও সমকালীন বৰ্তমানত জীয়াই আছে, কিন্তু তেওঁৰ সত্ত্বাৰ সৰহভাগ নিহিত হৈ আছে অতীতৰ এক শক্তিশালী পৰম্পৰা আৰু ঐতিহ্যৰে ভৰপূৰ কাৰ্বি জনজীৱনৰ সীমাহীন জীৱনবোধৰ মাজত। এই দ্বিধাবিভক্ত জীৱন-চেতনাক গল্পকাৰে উত্তৰ-ঔপনিৱেশিক চিন্তাৰ আধাৰত আৰু আধুনিকতাই জনজাতীয় জীৱনধাৰালৈ আনি দিয়া বৈপৰিত্যবোধ আৰু সংকটচেতনাৰ প্ৰেক্ষাপটত সৰল-সহজ অথচ শক্তিশালীভাৱে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে।

দুৰ্গম পাহাৰীয়া বাটেৰে, নিশ্ছিদ্ৰ অৰণ্যত এটা আদিম জনগোষ্ঠীৰ মাজত ঘূৰি ফুৰা সেই মিছনেৰি চাহাব দুজন! কিহৰ তাড়নাত সেই মিছনেৰী চাহাবে হাজাৰটা পাহাৰৰ সিপাৰে থকা সিহঁতৰ দেশৰ পৰা আহি এনেদৰে ভ্ৰমি ফুৰিছিল, সহজ-সৰল আখৰ পঢ়িব নজনা মানুহবোৰক শিক্ষাৰ পোহৰ বিলাইছিল—ভাবিলে তাই আচৰিত হৈ যায়। ৰ'প্লাক্‌পি নামৰ জটায়ু পক্ষীটিয়ে পৰা কণীৰপৰাই ভিন ভিন জাতিবোৰৰ উৎপত্তি হৈছিল। হয়, হয়, সকলো মানুহটো একেটি চৰাইৰ কণীৰ পৰাই জন্মিছে। সেই কাৰণেই সকলোৰে অন্তৰবোৰ, এখনৰ পৰা ইখনলৈ কিছুমান নেদেখা সূতাৰে বান্ধি থোৱা থাকে। বৈঠালাংচুৰ কাষৰ টিকা পাহাৰৰ নামনিত মাটিকপৌৰে আৱৰি থোৱা এটা শিলৰ তলত হট্টন চাহবৰ কবৰটো এতিয়াও আছে। মুকিন্দৰ পাহাৰটো পাওঁতে হট্টন চাহাবে বাৰু কাচাৰ্হে তিৰোতাৰ কৰুণ বিননিটো শুনা পাইছিলনে! [মৌচুমী কন্দলী, 'লাম্‌বাদা নাচৰ শেষত', পৃ° ৯]

'ফি' চৰিত্ৰটোৱে সকলোসময়তে নিজৰ বৰ্তমানৰ সংকটবোধ আৰু জীৱনৰ জটিলতাক অতীতৰ পৰা চলি অহা নীতিবোধ, ভাবাদৰ্শ আৰু মূল্যবোধৰ আধাৰত বিচাৰ কৰি চাইছে আৰু তাৰ পৰা সমাধানৰ ইংগিত বিচাৰিছে। তেওঁৰ ব্যক্তিত্বৰ এই বিশেষ বৈশিষ্ট্যৰ নেপথ্যত আমি আধুনিকতাৰ অভিঘাতত বিপৰ্যস্ত হৈ পৰা জনজাতীয় জীৱনবোধৰ যাবতীয় সংকটগ্ৰস্ত স্বৰূপকে উপলব্ধি কৰিবলৈ সক্ষম হওঁ। সেয়ে আধুনিক চিন্তা-দৰ্শন আৰু যুক্তিবোধৰ বিপৰীতে পৰম্পৰাগত সহজাত অভিজ্ঞতা আৰু সমাজ জীৱনক প্ৰভাৱিত কৰি ৰখা মিথ-পুৰাকথা-সাধুকথাৰ পৰা পোৱা শিক্ষাৰ আধাৰত তেওঁৰ জীৱন প্ৰবাহিত হৈছে। এনে এটা প্ৰেক্ষাপটত আমি 'ফি'-য়ে সততে তেওঁৰ সত্ত্বাৰ সৈতে অতীত আৰু বৰ্তমানক একেডাল সুতাৰে গাঁথিলোৱা দেখিবলৈ

পাওঁ। ফলস্বৰূপে অন্য যিকোনো উত্তৰ-ঔপনিৱেশিক সাহিত্যৰ উল্লেখযোগ্য চৰিত্ৰৰ দৰে সেইবাবে তেওঁৰ চেতনা আৰু ভাৱনাৰ মাজলৈ অতীত আৰু বৰ্তমানৰ সকলোবোৰ প্ৰসঙ্গই হেলাৰঙে অহা-যোৱা কৰি থাকে। অৱশ্যে সেইবুলি 'ফি' চৰিত্ৰটো সামাজিক পৰিৱৰ্তন আৰু ঔপনিৱেশিক ইতিহাসৰ আঁতধৰি দেশীয় জীৱন প্ৰবাহলৈ আহি পৰা পৰিৱৰ্তনবোৰৰ প্ৰতি একেবাৰে সচেতন নহয় বুলি ক'ব নোৱাৰি। ভাৰতবৰ্ষৰ তথাকথিত 'মূলভূমি'ৰ সামাজিক পৰিৱৰ্তনৰ অভিলেখৰ পৰা নিলগত থাকিলেও কাৰ্বি আংলংৰ মাজলৈকো বিভিন্ন সূত্ৰত ধীৰ গতিৰে হলেও যিবোৰ আধুনিকতাৰ উপাদান সোমাই আহিছিল আৰু যিবোৰৰ প্ৰভাৱত কাৰ্বি জনজীৱনৰ মাজলৈকো এক দীৰ্ঘস্থায়ী আৰু ব্যাপক পৰিৱৰ্তন আহিছিল, সেইবিষয়ে 'ফি'ৰ সজ্ঞান প্ৰতিক্ৰিয়া লক্ষ্য কৰা যায়। 'ফি'ৰ সৈতে আধুনিকতাৰ পৰিচয় হৈছে মিছনেৰীসকলৰ কাৰ্যকলাপৰ জৰিয়তে। তেওঁ বুজিছে যে ধৰ্মবিস্তাৰৰ উদ্দেশ্যৰে আহিলেও তেওঁলোকৰ মাজত থকা মানৱতাবোধ আৰু উদাৰ চিন্তা-চেতনাই কাৰ্বিজনজীৱনৰ ওপৰত সদৰ্থক প্ৰভাৱ পেলাইছে। এইক্ষেত্ৰত মিছনেৰীসকলৰ উৎসৰ্গীকৃত মানসিকতাৰ পৰিচয় লাভ কৰাৰ বাবে তেওঁলোকৰ প্ৰতি 'ফি'ৰ মনৰ মাজত এটা উচ্চ ধাৰণাৰো সৃষ্টি হৈছে। সেয়া তেওঁ সামগ্ৰিকভাৱে কাৰ্বিসকলৰ কল্যাণ আৰু উত্তৰোত্তৰ বিকাশৰ বাবে প্ৰয়োজনীয় বুলি বিবেচনা কৰিছে। দৰাচলতে ঔপনিবেশিকতাৰ বৃহত্তৰ আঁচনিৰ অন্তৰ্গত হলেও এই কাৰ্যকলাপসমূহৰ মাজত নিহিত হৈ থকা একপ্ৰকাৰৰ মানৱীয় চৰিত্ৰই সৰল-সহজ কাৰ্বিজনসমাজৰ মাজত বিশ্বাস আৰু আস্থাবোধৰ সৃষ্টি কৰিব পাৰিছিল আৰু নিজৰ পৰম্পৰা আৰু ঐতিহ্যবোধৰ সৈতে ধীৰ গতিত হলেও এই নতুন অভিজ্ঞতাক ঠাই দিবলৈ আৰম্ভ কৰিছিল। হয়তো এই প্ৰক্ৰিয়া অব্যাহত থাকিলে সময়তগৈ এনে প্ৰান্তীয় জনজীৱনৰ মাজলৈকে সোমাই অনা নতুনত্বই এক প্ৰকাৰৰ দীৰ্ঘস্থায়ী পৰিৱৰ্তন সৃষ্টি কৰিলেহেঁতেন। হয়তো সেয়া গ্ৰহণীয়ও হৈ উঠিলগৈ হেঁতেন। কিন্তু গল্পটোৰ কাহিনীভাগৰ মাজত বৰ্ণনা কৰা আৰু শেহতীয়াকৈ কাৰ্বি সমাজলৈ হঠাতে সোমাই অহা বাণিজ্যিক দৃষ্টিভংগীৰে পৰিচালিত প্ৰৱল পৰিৱৰ্তনৰ প্ৰবাহটোৱে 'ফি'ক উদিগ্ন কৰি তুলিছে। তেওঁ এই সৰু-সুৰা গোষ্ঠীনিৰ্ভৰ সাংস্কৃতিক জীৱনবোধক ওফৰাই প্ৰতিষ্ঠা কৰিব বিচৰা পুঁজিবাদী মানসিকতাৰ বহল ভোগবাদীসমাজচেতনাৰ প্ৰকৃত স্বৰূপটোক উপলব্ধি কৰিব পৰা নাই। কিন্তু তাৰ মাজত একপ্ৰকাৰৰ অসহজবোধ আৰু অমংগলৰ আশংকা প্ৰকাশ কৰিছে।

গল্পটোৰ দ্বিতীয়ভাগত 'ফি'ৰ নাতি 'হাংমিজি'য়ে গুৰুত্ব লাভ কৰিছে। নতুন প্ৰজন্মৰ প্ৰতিনিধিৰূপে তেওঁৰ মাজত আধুনিকতাৰ বিভিন্ন আকৰ্ষণীয় সমলবোৰে চমকৰ সৃষ্টি কৰিছে। আধুনিকতাৰ বিশেষকৈ ভোগবাদী চেতনাই আনি দিয়া অপৰিচিত নানাপ্ৰকাৰৰ উপভোগৰ পথৰ সন্ধান লাভ কৰাৰ জৰিয়তে এনে জীৱনধাৰাৰ প্ৰতি এটা অপ্ৰতিৰোধ্য আকৰ্ষণ বোধ কৰিছে। সেইবাবে সমনীয়া বন্ধু চেমচনৰ লগতে হওক বা দিল্লীৰ পৰা অহা একালৰ বন্ধু চমাঙৰ লগতে হওক মানসিকস্তৰত ঐক্যবোধ কৰিছে।

ঠিক সেইদৰে গল্পটোৰ পৰিণতিটোও গল্পকাৰে পৰম্পৰাগত কাহিনীধৰ্মী গল্পৰ মাজত দেখিবলৈ পোৱা 'সামৰণি' বা 'শেষ হৈয়ো শেষ নোহোৱা বহু সম্ভাৱনাপূৰ্ব অসম্পূৰ্ণ সামৰণি'ৰ স্তৰলৈ নিয়া নাই। ইয়াৰ বিপৰীতে বৰঞ্চ একপ্ৰকাৰৰ ইংগিতধৰ্মীতাৰ জৰিয়তেহে গল্পটোৰ পৰিণতি নিৰ্দেশ কৰা হৈছে। সেইফালৰ পৰা গল্পটোৰ পৰিণতিয়ে সমাধানধৰ্মীৰূপত এটা স্বস্তি প্ৰদান কৰাতকৈ পাঠকৰ মনত এটা প্ৰশ্ন বা জিজ্ঞাসাৰ 'অস্বস্তি'কৰ বোধৰ জন্ম দিয়া লক্ষ্য কৰা যায়। এইক্ষেত্ৰত গল্পকাৰে দুটা প্ৰজন্মৰ মাজত প্ৰকাশিত দ্বন্দ্বক



কেন্দ্ৰীয় গুৰুত্ব প্ৰদান কৰিছে। এফালে যেনেকৈ 'ফি'য়ে কাৰ্বি সমাজলৈ আহি পৰা ক্ষতিকাৰক দৃষ্টিভংগী, ভোগবাদৰ স্বাৰ্থত উগ্ৰতা, হিংস্ৰতাৰ কথাবোৰ প্ৰত্যক্ষ কৰি উদিগ্ন হৈ পৰিছে। তেওঁৰ মনত সৃষ্টিহোৱা ভয় আৰু উদিগ্নতাৰ পৰা পৰিত্ৰাণ পাবলৈ ব্যাকুলতাৰে সৈতে পৰমশক্তিৰ ওচৰত প্ৰাৰ্থনা জনাইছে। কিন্তু একেসময়তে এইবোৰক সাময়িক সংকট বুলি ভাবি নতুন চামৰ মাজত শুভবুদ্ধিৰ উদয়ৰ জৰিয়তে তাৰ পৰা উদ্ধাৰ পোৱাৰ আশাও প্ৰকাশ কৰিছে। তেওঁ নিজৰ সীমিত শক্তি আৰু সীমাহীন স্নেহৰ পৰশেৰে 'হাংমিজি'হঁতৰ মনৰ মাজত একালত মিছনেৰীসকলে কঢ়িয়াই অনা আধুনিকতাৰ সহনশীল আৰু মানৱীয় ধাৰাটোৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ প্ৰয়াস চলাইছে। দৰাচলতে 'ফি'ৰ মাজত থকা এই প্ৰচণ্ড শুভবোধে নাতি 'হাংমিজি'কো স্পৰ্শ নকৰাকৈ থকা নাই।

> ধুঁৱলি-কুঁৱলি চিন্তাৰ পাক লগা টনাটনিৰ মাজত ওৰে নিশা সাৰে থকাৰ পিছত, শেষ ৰাতি তাৰ টোপনি আহিল। আৰু সি এটা সপোন দেখিলে—দুটা পথৰ আলি দোমোজাত, এটা পাহাৰৰ নামনিত সি ৰৈ আছে। এটা বাট সোঁফালে গৈছে, আনটো বাওঁফালে। এনেতে ভঙা দোতোৰাৰ ৰেপণিৰ দৰে এটা কৰুণ সুৰ ভাহি আহিছে। তাৰ ফীজনীয়ে ক'ৰবাৰ পৰা কাচাৰ্হেৰ বিনিনিৰ সুৰত যেন ধীৰে ধীৰে গাইছে—
> "হে পবিত্ৰ আত্মা,
> তুমি গৈ গৈ মুকিন্দন পাহাৰটো পাবা
> তাৰ নামনিতে দুয়োফালে দুটা বাট
> বাওঁফালে নেযাবা
> বাওঁফালে নেযাবা
> সেইফালে নৰকৰ বাট—" [মৌচুমী কন্দলী, 'লাম্‌বাদা নাচৰ শেষত', পৃ° ১৬]

সেইবাবে কাৰ্বি পাহাৰ এৰি, কাৰ্বি সমাজ জীৱনক পৰিত্যাগ কৰি আধুনিকতাৰ মাজত আত্মজাহ দিবলৈ ওলায়ো হাংমিজিয়ে এবাৰ থমকি ৰৈছে। এইক্ষেত্ৰত 'ফি'ৰ সৈতে থকা তেওঁৰ সম্পৰ্কৰ বাবেই হওক বা নিজৰ মাজত ঐতিহ্যবোধৰ প্ৰতি থকা আকৰ্ষণৰ অৱশেষৰ বাবেই হওক তেওঁৰ মাজত চূড়ান্ত সিদ্ধান্ত গ্ৰহণৰ বেলিকা এটা দ্বন্দ্বৰ সৃষ্টি হৈছে। ক'বলৈ গ'লে সেয়াই গল্পটোৰো মূল দ্বন্দ্ব। যিটোক গল্পকাৰে সুকৌশলেৰে সকলো পাঠকৰ মাজলৈ বিস্তাৰ কৰিবলৈ সক্ষম হৈছে।

আলোচ্য প্ৰথমটো গল্প ৰচনাৰ প্ৰায় তেৰ বছৰৰ পাছত, ২০১০ চনৰ এপ্ৰিল মাহৰ 'প্ৰকাশ' আলোচনীত প্ৰকাশিত আৰু মৌচুমী কন্দলীৰ তৃতীয়খন গল্প সংকলনত সন্নিবিষ্ট হোৱা 'ৰা-বাঁহৰ চিক্‌মিকনি' নামৰ চুটিগল্পটো বিষয়বস্তু, চৰিত্ৰচিত্ৰণ আৰু সৰ্বোপৰি জনগোষ্ঠীয় জীৱনদৃষ্টিৰ দন্দাত্মক উপস্থাপৰ দিশৰ পৰা অন্য এক উল্লেখযোগ্য নিদৰ্শন। কিছুমান বিশেষ ধৰণৰ সাদৃশ্যৰ ভিত্তিত পাঠকৰ গল্পদুটাক পাৰস্পৰিকভাৱে সম্পৰ্কীত আৰু দ্বিতীয়টোক প্ৰথমটোৰ সম্প্ৰসাৰণ বুলিও অনুভৱ হয়।

গল্পটোৰ কাহিনীভাগৰ মাজেদি আপাত জটিল বৰ্ণনাত্মকশৈলীৰে দুটা বিশেষ সামাজিক প্ৰেক্ষাপটত বিকশিত হোৱা দুটা কাহিনীৰ অগ্ৰগতি দেখুওৱা হৈছে, যি গল্পটোৰ শেষলৈ আহি এটা নিৰ্দিষ্ট বিন্দুত লগ হোৱাৰ জৰিয়তে দ্বন্দ্বৰ সৃষ্টি কৰিছে। উল্লেখযোগ্য যে গল্পকাৰে এই দ্বন্দ্বক একেসময়তে বৰ্হিদ্বন্দ্ব আৰু

অন্তৰ্দ্বন্দ্ব—উভয়ৰূপতে প্ৰতিষ্ঠা কৰাৰ জৰিয়তে কাহিনী আৰু চৰিত্ৰৰ উপস্থাপনে এটা আকৰ্ষণীয় ৰূপ পৰিগ্ৰহণ কৰিছে।

ইয়াৰে এটা কাহিনী, গল্পকাৰে সুস্পষ্টকৈ উল্লেখ কৰা নাই যদিও, অসম বা উত্তৰ-পূৰ্বাঞ্চলৰে কোনো এটা আপাত দুৰ্গম অঞ্চলত আজিৰ পৰা বেচ কিছু বছৰ পূৰ্বে আৰম্ভ হৈছিল। কাহিনীটোৰ কেন্দ্ৰত থকা চৰিত্ৰটো হৈছে—ম'ম'ক' নামৰ এগৰাকী আদিম জনগোষ্ঠীয় মহিলা। কোনোধৰণৰ আধুনিকতাৰ পৰশ নোপোৱা চৰিত্ৰটোৰ জীৱনবোধ আৰু বিশ্বাসৰ মাজত আমি পৰম্পৰাগত সামাজিক আৰু আধ্যাত্মিক চেতনাৰ শক্তিশালী প্ৰভাৱ দেখিবলৈ পাওঁ।

> জোনাকী পৰুৱা এটাৰ দৰেই ম'ম'ক' নামৰ তিৰোতাজনী। প্ৰকৃতিৰ মাজত উপৰিষ্ট তাইৰ জীৱন আৰু তাইৰ সৰলৰৈখিক ভাবনাবোৰ। সেই জীৱনৰ পৰাই তাই আত্মলব্ধ পোহৰৰ দ্যুতিৰে ভৰি থকা কেতবোৰ সৰু সৰু সত্য আহৰণ কৰিছিল। সৰু সৰুতো নহয়। ডাঙৰ ডাঙৰ সত্য। অৰণ্যৰ ৰহস্যময়তাৰ নিভাঁজ নৈসৰ্গতহে হয়তো সেইবোৰ সত্যৰ সন্ধান সম্ভৱ। [মৌচুমী কন্দলী, 'মকড্ৰিল', পৃ° ১৫২]

সৰল-সহজ আৰু একপ্ৰকাৰৰ স্বাভাৱিক 'প্ৰাকৃতিক' জীৱনচৰ্যাৰ মাজেদি আগবঢ়া ম'ম'ক'ৰ জীৱনলৈ পৰিৱৰ্তন আহিছিল, তেওঁৰ স্বামীৰ মৃত্যুৰ জৰিয়তে। তেওঁৰ স্বামীক কোনোবা এটা অসতৰ্ক মুহূৰ্তত বাঘে চোঁচৰাই নি নেফানেফ কৰি পেলোৱাৰ পৰাই ম'ম'ক'ই একেসময়তে বহিৰ্জগতত 'স্বাভাৱিক' আৰু অন্তৰ্জগতত 'যন্ত্ৰণাজৰ্জৰ' জীৱন কটাবলগীয়া হৈছিল। তেওঁৰ জীৱনচৰ্যাত আমি বাহিৰৰ পৰা দেখিবলৈ পোৱা স্বাভাৱিকতাৰ নেপথ্যত ক্ৰিয়াশীল হৈ আছে শক্তিশালী সামাজিক পৰম্পৰাৰ বলিষ্ঠ উপস্থিতি। কিন্তু সেই সামাজিক চেতনাই তাইৰ মনটোক সকলো সময়তে নিয়ন্ত্ৰণ কৰি ৰাখিব নোৱাৰে। এনেধৰণৰ জটিল সময়বোৰত তাই অন্তৰভেদি ওলাই অহা কান্দোনে কিছুমান গীতৰ ৰূপত প্ৰকাশ লাভ কৰে। তাৰে কিছুমান তাইৰ নিজৰ সৃষ্টি আৰু কিছুমান পুৰুষানুক্ৰমে চলি অহা তাইৰ নিচিনা কোনোবা যন্ত্ৰণাজৰ্জৰ মনৰ উপলব্ধিৰ নিদৰ্শন।

> হয় বাঘে চোঁচৰাই নিয়া মানুহ এটাৰ ঘৰণী তাই। বাঘে চোঁচৰাই নিয়া আত্মাৰ বাবে কোনেও চকুপানী নুটুকে। বাঘ পবিত্ৰ দেৱতা। পূৰ্বজন্মৰ পাপৰ প্ৰায়শ্চিত্তৰ বাবেহে বাঘে মানুহক চোঁচৰাই নি নেফানেফ কৰে। সেই মৃত্যুত কান্দিব নাপায়। কিন্তু নিজৰ মানুহটোৰ বাবে নাকান্দি থাকিব পাৰিনে? নিজৰ প্ৰিয় মানুহজন কেতিয়াবা পাপী হ'ব পাৰেনে? দুকুৱা জুমৰ জুই জ্বলোৱাৰ পাছতেই প্ৰেতলোকৰ মুকিন্দৰ পাহৰটোত দেখা তাইৰ পাটীৰ মানুহটোৰ বাবে তাই নাকান্দি পাৰেনে? সেইবাবেই ম'ম'ক'ই গান গায়। সযতনে সাঁচি থোৱা পূৰ্বপুৰুষসকলৰ গানবোৰো ম'ম'ক'ই কলিজাৰ তেজ ঢালি জীয়াই ৰাখে... [মৌচুমী কন্দলী, 'মকড্ৰিল', পৃ° ১৫২-৩]

সেইফালৰ পৰা ম'ম'ক'ৰ গান, তেওঁৰ স্বাভাৱিকভাৱে প্ৰকাশ কৰিব নোৱাৰা দুখবোধ আৰু কান্দোনৰে অন্যধৰণৰ প্ৰকাশ মাথোন। এফালে সামাজিক বাধাৰ বাবে তেওঁ নিজৰ দুখ-বেদনাক কান্দি-কাটি প্ৰকাশ কৰিব নোৱাৰে। আনহাতে হয়তো তেওঁৰ সেই দুখ সেইখন সমাজৰ বাবে কোনো অভিনৱ প্ৰকৃতিৰ বা একক ধৰণৰ অভিজ্ঞতাৰ প্ৰকাশ নহয় বাবে হিয়া ঢাকুৰি, চকুপানীবোঁৱাই দীৰ্ঘদিনলৈ কাৰোবাৰ পৰা শান্ত্বনা বা সমবেদনা লাভ কৰাও সম্ভৱ নহয়। সেয়ে তেওঁৰ বাবে গীতে আত্মশান্ত্বনাৰ ৰূপ লৈছে বা কেতিয়াবা একপ্ৰকাৰে 'কেথাৰচিচ'ত পৰিণত হৈছে। এনেদৰে গীত 'ৰচনা কৰা' আৰু গোৱা কামটোক আমি কোনোপধ্যেই পেছাগত



সংগীতচৰ্চাৰ অন্তৰ্গত 'গীতৰ নিৰ্মাণ আৰু পৰিৱেশন'ৰ লগত ৰিজাব নোৱাৰোঁ।

গল্পটোত ম'ম'ক'ৰ গানগোৱাৰ এটা বিশেষ ঘটনাৰ উল্লেখ কৰা হৈছে। এফালৰ পৰা এই বিশেষ পৰিস্থিতিত গোৱা গানৰ ঘটনাটোৱেই গল্পটোৰ দ্বিতীয়টো ঘটনাৰ সূত্ৰপাতত ঘাই ভূমিকা গ্ৰহণ কৰিছে। এবাৰ ম'ম'ক'ই তেওঁলোকৰ সেই দুৰ্গম পাহাৰীয়া অঞ্চলৰ গুহাবোৰত এটা মেগালিথৰ সন্ধান কৰিবলৈ অহা এজন ডেকা প্ৰত্নতাত্ত্বিক বিষয়াৰ দলটোক বাট দেখুৱাই লৈ ফুৰিছিল। দিনটো একা-বেকাঁ শিলাময় বাটেৰে খোজকাঢ়ি ঘূৰি ফুৰি দলটোৰ ভাগৰ লগাত সন্ধিয়া পৰত বহিলৈ জিৰণি লৈছিল। এনে এটা বিশেষ পৰিস্থিতিত ডেকা প্ৰত্নতাত্ত্বিক বিষয়াজনে ম'ম'ক'ৰ সেই অচিন-অবুজ গান শুনিবলৈ পাইছিল।

> ম'ম'ক'ই শিল এছটাত হেলান দি পাটত বহা বেলিৰ ৰঙা পৰা মুখখন চাবলৈ ধৰিছিল। বেলিৰ ৰঙা পৰা মুখৰ মুনিচুনি পোহৰত ম'ম'ক'ৰ মুখখন যেন এপাহ ৰঙিয়ালফুলৰ দৰে তেজাল! ৰঙিয়াল ফুলপাহিয়ে পিছে ৰঙচুৱা বেলিটোৰে আকাশত ঠেং মেলাৰ খেলখন চোৱাতহে মগন। বেলিটোৰে ঠেং মেলি মেলি আকাশত চিক্‌মিক্ চিক্‌মিক্ ৰা-বাঁহবোৰ আঁকি আঁকি গৈ থকাৰ সেই খেলখন চাই থাকোঁতেই ম'ম'ক'ই কাপোৰ এখনেৰে গাত বান্ধি লোৱা পোৱালিটোৱে কাৎকৈ হঠাৎ দেদাউৰিয়াবলৈ ধৰিছিল। তেতিয়াই পোৱালিটোক বুকুলৈ টানি আনি, তাইৰ বুকুৰ বগা ধক্‌ধকীয়া শংখফুল এপাহৰ পৰা বগা-মিঠা মৌবোৰ চুহি চুহি খাবলৈ দি ম'ম'কই গাবলৈ ধৰিছিল এটা গান...লেনিয়াই লেনিয়াই বৈ বৈ কাহানিও নুশুনা কাহানিও নজনা—অচিন অদেখা এক ৰহস্যঘন পতংগৰ দৰে গভীৰ কৰুণ ঝমঝম মাত এটাৰে আদিম প্ৰাৰ্থনাৰ দৰে এটা গান। ভঙা কলিজাৰ নে ভগ্ন আত্মাৰ অপাৰ-অনন্ত বিননি এটাহে যেন সৰকি আহিছিল তাইৰ নিমখীয়া ওঁঠেৰে আৰু সন্ধিয়াৰ বিচিত্ৰ গোন্ধবোৰৰ স'তে পাক লাগি লাগি পাহাৰৰ সিপাৰলৈ বিস্তাৰিত হৈ যাবলৈ ধৰিছিল—সাগৰীয় ঢৌৰ দৰে গভীৰ নাদৰ উত্তাল ধ্বনিৰ সেই সুৰে যেন গোটেই অৰণ্য, পাহাৰবোৰ আৰু শিলাময় গুহাবোৰ বুৰাই পেলাইছিল। [মৌচুমী কন্দলী, 'মকড্ৰিল', পৃ° ১৪৯]

ইতিমধ্যে অচিন প্ৰকৃতিৰ পৃষ্ঠভূমিত আকৰ্ষণীয় নৈসৰ্গিকতাক উপভোগ কৰি আৰু চহৰৰ আধুনিক সমাজ জীৱনত 'মেক্‌আপৰ বহুতৰপীয়া প্ৰলেপত ঠন ধৰি উঠা স্মাৰ্ট-ছেভি' মুখবোৰৰ বিপৰীতে তেওঁৰ আদিম জনগোষ্ঠীয় মুখখনৰ মাজত দেখা বৈচিত্ৰ্যক অনুধাৱন কৰি মুগ্ধহৈ পৰা প্ৰত্নতাত্ত্বিকজনে ম'ম'ক'ৰ গীতৰ কথা নুবুজিলেও প্ৰকাশভংগীৰ আন্তৰিক-অমোঘ প্ৰভাৱত শিঁহৰিত হৈ উঠিছিল। নিজৰ তাৎক্ষণিক সেই মুগ্ধতাক স্থায়ী কৰাৰ মানসেৰেই 'ছবি আৰু গান বন্দী কৰা যন্ত্ৰদুটাৰে' সেই গানটো আৰু গানগাই থকা মুখখনৰ প্ৰতিচ্ছবি গ্ৰহণ কৰি লগত লৈ গৈছিল। এনেদৰে আধুনিক যান্ত্ৰিক ব্যৱস্থাৰ মাধ্যমত স্থায়ীহৈ যোৱা ম'ম'ক'ৰ গানটোৱে সংগীত ৰসিকজনৰ ব্যক্তিগত সংগ্ৰহত কিছুকাল পৰি থকাৰ পাছত, এজন জিজ্ঞাসু সংগীত গৱেষক মিউজিকেলজিষ্টৰ জৰিয়তে 'আদিম জনগোষ্ঠীয় লোক-সংগীতৰ মৌখিক পৰম্পৰা' শীৰ্ষক ৰাষ্ট্ৰসংঘৰ বিশ্ব ঐতিহ্যৰ গীতৰ আৰ্কাইভলৈ, সেই আৰ্কাইভৰ পৰা মিউকেলজিষ্টজনৰ অধীনত গৱেষণা কৰা এজন ছাত্ৰৰ ব্যক্তিসংগ্ৰহলৈ, তাৰ পাছত ছাত্ৰজনৰ বন্ধু এজন গায়ক-বাদ্যযন্ত্ৰীৰ সংগ্ৰহলৈ আৰু তেওঁৰ পৰা গৈ তেওঁৰ গুৰু সংগীতজ্ঞৰ ওচৰ পালেগৈ। এনেদৰে এটা 'চেইন ৰিয়েকচনযুক্ত' প্ৰক্ৰিয়াৰ মাজেদি গৈ থকাৰ মাজেদি গানটোৱে কেতিয়াবা কাৰোবাৰ মনত অচিন শিঁহৰণ জগাই তুলিলে, কাৰোবাৰ মনত মাকৰ

চিনাকি মাতৰ নিচুকনি গীতৰ পৰশ জগালে আৰু শেষত ই প্ৰফেছনেল সংগীতগুৰুজনৰ হাতত পৰি এটা বিশেষ পেকেজিঙৰ মাজেদি আন্তৰাষ্ট্ৰীয় প্ৰেক্ষাপটত খলকনি তুলিবলৈ সক্ষম হ'ল। গানটোৰ এই নৱজন্মৰ প্ৰক্ৰিয়াটোক গল্পকাৰে সুন্দৰকৈ বৰ্ণনা কৰিছে। যাৰ মাজেদি কলা-শিল্পৰ জগতত চলি অহা 'আৱিষ্কাৰ আৰু আধুনিকীকৰণ প্ৰকল্প' সমূহৰ অন্তঃসাৰশূন্য আৰু অমানৱীয় স্বৰূপ প্ৰকাশিত হৈছে।

> ষ্টুডিঅ'ৰ মজিয়াত গানটোক তিনিটা নতুন সাজ পিন্ধোৱা হ'ল। ম'ম'ক'ৰ উকা কণ্ঠৰ নিৰাভৰণ গানটোক প্ৰথমে পিন্ধোৱা হ'ল ডিজিটেল সংগীতৰ সাজ আৰু অলংকাৰ। দ্বিতীয় মেকঅ'ভাৰত ম'ম'ক'ৰ গানটোৰ আশে-পাশে আৰু দূৰ নেপথ্যত আৰু কিছুমান স্বৰৰ সন্মিলিত সুৰ বিন্যাস প্ৰতিধ্বনিত হ'বলৈ ধৰিলে। ডিজিটেল বাদ্যযন্ত্ৰৰ লগতে সন্মিলিত সুৰৰ এটা স্বৰ বিন্যাসত ম'ম'ক'ৰ গানটো কিছু সংকুচিত হৈ পৰিল। যেন মেঘ গৰ্জনত ভয়তে কোঁচ খাই পেঁপুৰা লগা এটা চৰাইৰ নিঃস্বকণ্ঠস্বৰ! আৰু তৃতীয় সংস্কৰণত, ম'ম'ক'ৰ সেই কোঁচ-মোচ ভংগিমাৰ গানটো শব্দৰ তৰংগৰ অজস্ৰ কোলাহলৰ ঘূৰ্ণিত ক্ৰমাৎ হেৰাই যোৱাৰ উপক্ৰম হ'ল। বনৰীয়া পতংগৰ দৰে অজস্ৰ কোলাহলৰ ঘূৰ্ণিত ক্ৰমাৎ হেৰাই যোৱাৰ উপক্ৰম হ'ল। বনৰীয়া পতংগৰ দৰে ম'ম'ক'ৰ ৰহস্যঘন গম্ভীৰ মনটোক আন কিছুমান স্বৰৰ উপৰিপাতনে হেঁচা মাৰি ধৰিলে—দিক্‌বিদিক্ হেৰুৱাই ম'ম'ক'ৰ মনটো শব্দ ঘূৰ্ণিৰ পকনীয়াক কক্‌বকাই থাকিল। তাৰ ৰংচঙীয়া ৰংবিৰঙৰ তৃতীয়যোৰ সাজৰ আবেষ্টনীত ম'ম'ক'ৰ গানটোৰ আত্মাটো যেন মৰি গ'ল—শূন্যত পৰি থাকিল কেবল তাৰ কায়িক ভেল। [মৌচুমী কন্দলী, 'মকড্ৰিল', পৃ° ১৫০-১৫১]

গল্পকাৰৰ ভাষাৰে 'প্ৰব্ৰজন নে বিতাড়ন প্ৰক্ৰিয়াৰে' আধুনিক বিশ্বলৈ বুলি ওলাই গৈ 'উদ্বাস্তু দেশহাৰা' হৈ পৰা গানটোৰ সৈতে জড়িত পৰৱৰ্তী কাহিনীভাগকলৈ গানটোৰ উৎসস্বৰূপ ম'ম'ক'ৰ কোনো সম্পৰ্ক নাই। গানটোৰ বিজ্ঞাপন আৰু আন্তৰ্জাতিক পেকেজিঙৰ বাবে গোটেই বিশ্বতে জনপ্ৰিয় কৰি তোলাৰ স্বীকৃতি স্বৰূপে 'আধুনিক ৰূপদাতা' সংগীত গুৰুক পৃথিৱীৰ সবাতোকৈ আধুনিকতম ব্যস্ততম মহানগৰীত আয়োজিত 'বিশ্ববিখ্যাত জকমক স্পেক্টাকল'ত ৰঙা কাৰ্পেটৰ ওপৰেদি আগবঢ়াই নি সন্মান প্ৰদানৰ ব্যৱস্থা কৰা হ'ল। আনহাতে সেই অনুষ্ঠান টেলিভিছনৰ জৰিয়তে বিশ্বজুৰি পোনপটীয়াকৈ সম্প্ৰচাৰ হৈ থকাৰ পৰতে গানটোৰ প্ৰকৃত 'স্বত্বাধিকাৰী ম'ম'ক'ৰ ছবি, সাক্ষাৎকাৰ আৰু গান পৰিৱেশন কৰি সংগীত গুৰুৰ 'চৌৰ্য বিদ্যা আৰু প্লেগাৰিজিম' উন্মোচন কৰাৰ বাবে প্ৰতিদ্বন্দ্বী চেনেলটোৰহে এজন দুৰ্ধৰ্ষ সাংবাদিকে নিজৰ প্ৰচেষ্টা আৰম্ভ কৰিলে। এই কথা জানিব পাৰি সংগীতগুৰুৰ হৈ তেওঁৰ সোঁহাত স্বৰূপ বাদ্যযন্ত্ৰী গায়কজনে, যি এদিন বন্ধুৰ সংগ্ৰহৰ পৰা নি গানটো গুৰুৰ চৰণত অৰ্পণ কৰিছিল, যেনেতেনে হলেও ম'ম'ক'ক মেনেজ কৰাৰ দায়িত্ব গ্ৰহণ কৰিলে। নিজৰ নিজৰ উদ্দেশ্য পূৰণৰ বাবে দুয়োজনেই সুদূৰ মহানগৰৰ কৰ্মক্ষেত্ৰৰ পৰা 'অবৰ্ণনীয় দুৰ্গম একা-বেঁকা পাহাৰিয়া বাটেৰে গৈ' পোৱা গন্তব্য স্থানত উপস্থিত হৈছে। তেওঁলোক দুয়ো নিজৰ নিজৰ উদ্দেশ্য পূৰণৰ বাবে উদয়াস্ত চেষ্টা কৰাৰ পাছত যিমান বিচাৰে সিমান ধন দিয়াৰ বাবে সাজু হ'ল। সেই সময়ত ইমানপৰে নিৰ্বাক হৈ থকা ম'ম'ক'ই এনে এটা বক্তব্য আগবঢ়ালে যে তেওঁলোকৰ ইমানদিনৰ বোধ আৰু বিশ্বাসৰ জগতখনেই একপ্ৰকাৰে চূড়মাৰ হৈ গ'ল।

> 'যিমান বিচাৰোঁ সিমান দিব'—এই প্ৰথম ম'ম'ক'ৰ মুখৰ মাত শুনা গ'ল। দূৰৰ নীলা-কজলা পাহাৰবোৰ,শাৰী শাৰী সৰলবোৰ আৰু বিস্তাৰিত আকাশখনৰে চৌপাশৰ সেই অপৰূপ নৈসৰ্গৰ ওপৰেদি দৃষ্টি লেহন কৰি ম'ম'ক'ই যেন স্বগতোক্তিহে কৰিলে...মই যিমান গান বিচাৰো সিমান গান মোক প্ৰকৃতিয়ে দিব—জিলিবোৰে দিব, সৰলৰ মাজে মাজে সোঁ সোঁকৈ কাঁড়ৰ দৰে পাখি মেলি উৰি যোৱা বতাহবোৰে দিব, ভেকুলী আৰু পাটবেংবোৰে দিব—মোৰ গানৰ কি অভাৱ? আৰু গানৰ অভাব নাই যেতিয়া তহঁতৰ পইচাৰে মই কি কৰিম? অভাৱ তহঁতৰহে। মোৰতো নহয়, পইচা তহঁতকহে লাগিব। গান কিনিবলৈ !...আৰু শুন—তোৰ ছবি তোলাৰ যন্ত্ৰৰ আগত থিয় হৈ মই গান নাগাওঁ দে, বেয়া নাপাবি, কোনোবাই যদি মোৰ গানটো নিজৰ বুলি গাইছে গাওঁক দে, সি দুখীয়া বাবেহে তেনে কৰিছে, গানটো মই তাক দান দিলো বুলি ধৰ আৰু মই গান মোৰ মনে বিচাৰিলেহে গাওঁ আৰু কাৰোবাৰ প্ৰাণে শুনিবলৈ হাহাকাৰ কৰিলে। এইবোৰ পৱিত্ৰ জীৱ—আলৈ-আথানি কৰিব নাপায়। লোভত পৰি এইবোৰ পৱিত্ৰ জীৱ বেচিব মই নোৱাৰো দেই। [মৌচুমী কন্দলী, 'মকড্ৰিল', পৃ° ১৫৬-১৫৭]

ম'ম'ক'ৰ এই বক্তব্যৰ আঁৰত নিহিত হৈ আছিল পৰম্পৰাগত বোধ বিশ্বাসে গঢ়ি তোলা এটা বিশেষ সাংস্কৃতিক বীক্ষা। য'ৰ পৰা তেওঁ শিকিছে জীৱনটোৰ অস্থায়ী, ক্ষণভংগুৰ স্বৰূপ, অনুভৱ কৰিছে ক্ষণিকৰ প্ৰাপ্তি-অপ্ৰাপ্তি, সুখ-দুখ, আনন্দ-বেদনাবোধৰ উৰ্দ্ধলৈ উঠি লাভ কৰা এটা শ্বাশ্বত সত্যৰ উপলব্ধি। তেওঁৰ সেই অনুভৱৰ একান্ত 'আঞ্চলিক' আৰু বিশিষ্ট ৰূপৰ 'আধ্যাত্মিক' অভিব্যক্তিৰ সৈতে সেয়ে আমাৰ ঔপনিৱেশিক ঐতিহ্যই সৃষ্টি কৰা তথা বৰ্তমানৰ বিশ্বায়নৰ প্ৰেক্ষাপটত সৰ্বাত্মকভাৱে বিস্তাৰ লাভ কৰা চেতনাৰ প্ৰত্যক্ষ সংঘাত পৰিলক্ষিত হয়। এই সংঘাতৰ শেষত কাৰ জয়লাভ হ'বগৈ সেই কথাকলৈ গল্পটোৰ কাহিনীভাগে আন এক বিস্তাৰ লাভ কৰিছে। সেই আলোচনা অলপ পিছলৈ থৈ এইখিনিতে এটা কথা স্পষ্টকৈ উল্লেখ কৰি থ'ব বিচাৰিছোঁ। আধুনিক জগতৰ পৰা আহি নিজৰ নিজৰ 'গেম প্লেন' আৰু 'অৰ্থনৈতিক যুক্তিবোধ'ক প্ৰতিষ্ঠা কৰিব নোৱাৰি প্ৰাচীন ঐতিহ্যৰ প্ৰতীকস্বৰূপ ম'ম'কৰ সমুখত বিমূঢ়হৈ থকা ব্যক্তিদুজনক তেওঁ নিতান্ত সহজ-সৰল ভংগীৰে দিয়া বুজনিৰ মাজতে নিজৰ শক্তিৰ আধাৰস্বৰূপ বিশ্বাসৰ গভীৰতা প্ৰতিপন্ন হৈছে।

> মাকে কোলাৰ কেঁচুৱাক পোনপ্ৰথমবাৰৰ বাবে ৰামধেনু দেখুৱাদি, ম'ম'ক'ই চৌপাশে বহি থকা অবোধ বালককেইটিক ওপৰলৈ আঙুলিয়াই আকাশখন দেখুৱালে—চাচা সৌবোৰ কি দেখিছ—দেখিছ কেনেকৈ বেলিয়ে ঠেং মেলিছে, দেখিছ কেনেকৈ বেলিয়ে ঠেং মেলি আকাশত ৰা-বাঁহবোৰ আঁকিছে, দেখিছ কিমান জিক্‌মিক্ জিক্‌মিক্ ৰা-বাঁহবোৰ! কিন্তু জাননে—ৰা-বাঁহৰ চিক্‌মিকনি থাকে কেতেপৰ? মাত্ৰ দুপলক। বেলি বুৰ যোৱাৰ লগে লগেই সকলো শেষ। শেষ ৰা-বাঁহৰ চিক্‌মিকনি, শেষ তাৰ ক্ষন্তেকীয়া পোহৰৰ চমক, তাৰ পাছত সকলো আন্ধাৰ... [মৌচুমী কন্দলী, 'মকড্ৰিল', পৃ° ১৫৭]

এইখিনিতে মনকৰিবলগীয়া যে, ম'ম'ক'ৰ বিচাৰধাৰা আৰু চেতনা, সামগ্ৰিভাৱে জনগোষ্ঠীয় চিন্তা-চেতনাৰে প্ৰতিভূ যদিও সেয়া অক্ষয়-অব্যয় নহয়। প্ৰজন্মৰ পৰিৱৰ্তনৰ লগে লগে এইক্ষেত্ৰত বহুবোৰ নতুন নতুন চিন্তা-ভাৱনাৰ সমাৱেশ হোৱাৰ লগতে পূৰ্বৰ ধ্যান-ধাৰণাসমূহক সন্দেহ, সমৰ্থনহীনতাৰ আৱৰ্তৰ মাজলৈ

আগবঢ়াই নিয়া হৈছে। গল্পকাৰে তেৰ বছৰৰ পূৰ্বে ৰচনা কৰা প্ৰথমটো গল্পত নতুন প্ৰজন্মৰ মাজত পৰিলক্ষিত এক ধৰণৰ দ্বন্দ্বৰ স্বৰূপ অংকন কৰি এনেদৰে লিখিছিল—

> বাঁহৰ চাঙত অকলশৰে পৰি থকা হাংমিজিৰ টোপনি অহা নাই। ধুঁৱলী-কুঁৱলি চিন্তাৰ, গধূৰ গধূৰ পাকলগা কিছুমান দ্বিধা-দ্বন্দ্বৰ বোধৰ টনা আঁজোৰাত সি আকৌ সেই দুই মেৰুৰ মধ্যবিন্দুত অস্থিৰ খোজেৰে থিয় দিছে। দুই মেৰুৰ মাজৰ দৈৰ্ঘ্যৰ শূন্যতাত ৰছী টনা খেলৰ গাঁঠিটোৰ দৰে দুটা বিপৰীত শক্তিৰ টনাটনিত সি ক্ৰমে বিধ্বস্ত হৈ পৰিছে? এটা মেৰুত, সেই নীৰৱ নৈসৰ্গত ৰৈ থকা তিৰোতাজনী, তাইৰ নিচুকনি গীতবোৰ, চমাংকান, মুছেৰাকেহিৰৰ পবিত্ৰ মন্ত্ৰৰ অৰণ্য আৰু পাহাৰবোৰৰ মাজত এটা প্ৰাচীন জনগোষ্ঠী, যি ক্ৰমে বিৱৰ্তিত হ'ব ধৰিছে এখন অন্য সংমিশ্ৰিত ৰূপলৈ অথবা কোনো পৰ্যটন কোম্পানীয়ে প্ৰস্তুত কৰা বিশেষ আঁচনিৰ প্ৰতিলিপিত, যি ক্ৰমে হৈ পৰি এক পণ্য commodity আৰু—আৰু—এনে অনেক ধূসৰ ছায়াছবি—। আৰু আনটো মেৰুত, ধাতৰ চিকমিকনি, বৈদ্যুতিক পোহৰ, আৰু ইলেক্টনিক চিম্ফনীৰ উচ্ছলতা আৰু চাক্‌চিক্যৰে ভৰা একযান্ত্ৰিক দৃশ্যাৱলীৰ উজ্জ্বল ৰঙীন ছায়াছবি! [মৌচুমী কন্দলী, 'লাম্‌বাদা নাচৰ শেষত', পৃ° ১৬]

সময়ৰ পৰিৱৰ্তনৰ লগে লগে এই দুদোল্যমানতাৰ পৰা নৱপ্ৰজন্ম যেন ওলাই আহিছে। তেওঁলোকে নিজৰ বাবে এটা নিৰ্দিষ্ট পথৰ সন্ধান কৰিছে। এই পথ নতুনকৈ কাটি উলিওৱা পথ। তাত্ত্বিকভাষাৰে হয়তো তাকেই উত্তৰ-ঔপনিৱেশিক চিন্তাৰে ৰঞ্জিতহৈ নিজৰ অতীত আৰু ভৱিষ্যতৰ মাজত গঢ়ি তোলা নতুন পথ বুলিয়েই চিহ্নিত কৰিব লাগিব। সেই অতীতটোক ধাৰণ কৰি প্ৰথমটো গল্পত থকা 'ফি' গৰাকীয়ে দ্বিতীয়টো গল্পত ম'ম'ক'ৰ ৰূপত আকৌ এবাৰ উদ্ভাসিত হৈছে আনহাতে 'ফি' নাতি ল'ৰা হাংমিজিয়ে ইয়াত ম'ম'ক'ৰ দ্বিতীয় পুত্ৰৰ ৰূপত প্ৰকাশ লাভ কৰিছে। যাৰ সিদ্ধান্তৰ ভেঁটিত প্ৰাচীন জনগোষ্ঠীটোৱে নিজৰ ভৱিষ্যত ৰচনাৰ বাবে এটা বিশেষ বাটৰ সন্ধান কৰিছে।

> সি আজিলৈকে কাহানিও বাওঁফালৰ বাটটো লোৱা নাই। কাহানিও লোৱা নাই। কিন্তু হে' পবিত্ৰ পিতা, হে' হৃদয়ৰ মাতামহী—হে' হেম্ফু দেৱতা, অ'ফী—মৃতকৰ পৃথিৱীখনতকৈয়ে যে আৰু বহুত বেছি ভয়াবহ জীৱিতসকলৰ এই পৃথিৱী! জীৱিতসকলৰ এই পৃথিৱীত সত্যক ধৰি ৰাখিবলৈ যে কেতিয়াবা আৰু এটা বাট কাটি লোৱাৰ প্ৰয়োজন হয়। বাওঁফালৰ বাট আৰু সোঁফালৰ বাটৰ মাজেৰেওটো আৰু এটা বাট থাকিব পাৰে। হয় সাৱধানী খোজেৰে আকুলতা আৰু দায়বদ্ধতাৰে সি এতিয়া খুপি খুপি সেই তৃতীয়টো কাঁইটীয়া বাটেৰেই খোজ পেলাব লাগিব, যাতে ম'ম'ক'ৰ গানটো হেৰাই নাযায়। ম'ম'ক'ৰ পৃথিৱীখন আৰু তাইৰ গানটো যাতে পৃথিৱীৰ সকলোৰে আত্মপৰিচিতিৰ প্ৰকৃত নামেৰেই চিনিব পাৰে—সেইবাবে। গানটো যেন আৰু বহুদূৰ বাট গৈ থাকে—সেইবাবে। এৰা—আৰু, আৰু বহুদিন আৰু বহু ৰাতিৰ অন্তহীন প্ৰবাহেৰে যেন অনন্তকাললৈ বৈ থাকিব পাৰে ম'ম'ক'ৰ সেই গানটো—সেইবাবেই... [মৌচুমী কন্দলী, 'মকড্ৰিল', পৃ° ১৫৯]

**আকৰ গ্ৰন্থ**

মৌচুমী কন্দলী, 'লাম্‌বাদা নাচৰ শেষত', প্ৰথম সংস্কৰণ, নৱেম্বৰ ১৯৯৮, ষ্টুডেণ্টচ্ ষ্ট'ৰচ্, গুৱাহাটী।
মৌচুমী কন্দলী, 'মক্‌ড্ৰিল', প্ৰথম সংস্কৰণ, ডিচেম্বৰ ২০১০, বনলতা, গুৱাহাটী।